অসম

মাৰ্ঘেৰিটাত গোৰ্খা সাংস্কৃতিক ঐতিহ্যৰ বৰ্ণাঢ্য প্ৰতিফলন, আগছুৰ উদ্যোগত সমূহীয়া ভাতৃ দ্বিতীয়া উদযাপন।

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ ইণ্ডিয়া ক্লাৱত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু জিলা সমিতিৰ আতিথ্যত উলহ-মালহেৰে সমূহীয়াভাৱে গোৰ্খা জনগোষ্ঠীৰ ঐতিহ্যবাহী ‘ভাতৃ দ্বিতীয়া’ উৎসৱ উদযাপন কৰা হয়। এই অনুষ্ঠানত ভাতৃ-ভগ্নীৰ পৱিত্ৰ সম্পৰ্ক, মৰম-স্নেহ আৰু সাংস্কৃতিক পৰম্পৰা প্ৰতিফলিত হোৱাৰ লগতে বিভিন্ন জনগোষ্ঠীৰ মাজত সামাজিক সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰদান কৰা হয়।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, পুৱা ৯:৪৩



মাৰ্ঘেৰিটাত উৎসাহ-উদ্দীপনাৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত সমূহীয়া ‘ভাতৃ দ্বিতীয়া’ উদযাপন।তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাস্থিত ইণ্ডিয়া ক্লাৱত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু) কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু জিলা সমিতিৰ আতিথ্যত গোৰ্খা জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত উৎসৱ 'ভাতৃ দ্বিতীয়া' অতি উলহ-মালহেৰে সমূহীয়াভাৱে উদযাপন কৰা হয়। ভাতৃ-ভগ্নীৰ পৱিত্ৰ মৰম, স্নেহ আৰু আত্মীয়তাৰ প্ৰতীক এই উৎসৱে গোৰ্খা সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ লগতে বিভিন্ন জনগোষ্ঠীৰ মাজত সামাজিক সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। ভাতৃ দ্বিতীয়া বৰ্ণাঢ্য পৰম্পৰাৰে মুখৰিত এই অনুষ্ঠানত আগছুৰ কেন্দ্ৰীয় বিষয়ৱবীয়াসকলৰ লগতে বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি, গণ্য-মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকি উৎসৱটিৰ সৌন্দৰ্য বৃদ্ধি কৰে।

© 2026 NewzNow

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2538/margheritat-gorkha-sangskritik-oitihyor-bornadhy-protifolon-agosur-udyogot-somuh